## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত উন্নত ফলাফল প্ৰদৰ্শন

# গড়গাঁও কলেজৰ তিনিশতাধিকৰ প্ৰথম শ্ৰেণী লাভ

**চাহ জনজাতি যুৱ-ছাত্ৰ আমগুৰি বিলুপ্তিৰ বিৰুদ্ধে প্ৰতিবাদ**

ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৬ জুলাই ঃ সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত শিৱসাগৰ জিলাৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ কলা আৰু বিজ্ঞান শাখাৰ বিভিন্ন বিভাগৰ মুঠ ৩১১ গৰাকী শিক্ষাৰ্থীয়ে সুখ্যাতিৰে প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়ৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰে এগৰাকী শিক্ষাৰ্থীয়ে আউটষ্টেণ্ডিং গ্ৰেড, ৭৮ গৰাকীয়ে এ' প্লাছ, ১৬২ গৰাকীয়ে এ' আৰু ৭০ গৰাকীয়ে বি প্লাছ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি গণিত বিভাগৰ ছাত্ৰ বিজয় বেৰীয়াই আউটষ্টেণ্ডিং গ্ৰেড লাভেৰে প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান অৰ্জন কৰি মহাবিদ্যালয়খনিলৈ বিশেষ সফলতাৰ গৌৰৱ কঢ়িয়াই আনিছে। মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ৪০ গৰাকী, ইংৰাজী বিভাগৰ ৩০ গৰাকী, ভূগোল ৮ পৃষ্ঠাত

## গড়গাঁও কলেজৰ

বিজ্ঞান বিভাগৰ ২৬ গৰাকী, শিক্ষাতত্ত্ব বিভাগৰ ৩২ গৰাকী, ৰাজনীতি বিজ্ঞান বিভাগৰ ৪০ গৰাকী, অসমীয়া বিভাগৰ ২০ গৰাকী, অৰ্থনীতি বিভাগৰ ১৪ গৰাকী, ইতিহাস বিভাগৰ ৮ গৰাকী, উদ্ভিদ বিজ্ঞান বিভাগৰ ১৬ গৰাকী, ৰসায়ন বিজ্ঞান বিভাগৰ ১৯ গৰাকী, ভূতত্ত্ব বিভাগৰ ৩৩ গৰাকী, গণিত বিভাগৰ ৮ গৰাকী, প্ৰাণী বিজ্ঞান বিভাগৰ ১৮ গৰাকী আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ ৭ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী লাভ কৰা বতৰাই মহাবিদ্যালয় পৰিয়ালক উৎফুল্লিত কৰিছে। ছাত্ৰ-ছাত্ৰীৰ এনে উন্নতমানৰ ফলাফলত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই অতিশয় আনন্দ প্ৰকাশ কৰাৰ লগতে সফলতাৰ আঁৰৰ শিক্ষক-শিক্ষাৰ্থী সকলোকে আন্তৰিক অভিনন্দন জনাইছে। পৰৱৰ্তী সময়তো একত্ৰিত প্ৰয়াসেৰে মহাবিদ্যালয়ৰ সফলতাৰ এই ধাৰা বৰ্তাই ৰাখিব বুলি অধ্যক্ষগৰাকীয়ে আশা প্ৰকাশ কৰে।